NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-08-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। ইছৰোই আজি পুৱা ৯ বাজি ১৭ মিনিটত শ্ৰীহৰিকোটাৰ পৰা এছ্ এছ্ এল ভিৰ সহায়ত EOS-08 নামৰ এটা পৃথিৱী নিৰীক্ষণকাৰী কৃত্ৰিম উপগ্ৰহ মহাকাশলৈ প্ৰেৰণ কৰিব।

২ ভাৰতে কাইলৈ তৃতীয় ভইচ অব গ্লোবেল ছাউথ শীৰ্ষ সন্মিলনৰ আয়োজন কৰিছে।

৩। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি নতুন দিল্লীত ৰাষ্ট্ৰীয় কীট-পতংগ নিৰীক্ষণ প্ৰণালী উদ্বোধন কৰে।

৪। ভাৰতীয় চিকিৎসা সংস্থাই কলকাতাত এগৰাকী কনিষ্ঠ চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ প্ৰতিবাদত আজি পুৱা ৬ বজাৰপৰা ২৪ ঘণ্টাৰ বাবে জৰুৰী সেৱাৰ বাহিৰে অন্য সেৱাসমূহ বন্ধ ৰখাৰ কথা ঘোষণা কৰিছে।

*আৰু*

৫। সমগ্ৰ ৰাষ্ট্ৰই আজি প্ৰাক্তন প্ৰধানমন্ত্ৰী ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ীৰ মৃত্যু বাৰ্ষিকী উপলক্ষে নেতাগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰিছে।

০০০০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা, ইছৰোই আজি পুৱা ৯ বাজি ১৭ মিনিটত শ্ৰীহৰিকোটাৰ সতীশ ধাৱান মহাকাশ কেন্দ্ৰৰ পৰা ক্ষুদ্ৰ কৃত্ৰিম উপগ্ৰহ উৎক্ষেপন যান এছ্ এছ্ এল ভিৰ জৰিয়তে EOS-08 নামৰ এটা পৃথিৱী নিৰীক্ষণকাৰী কৃত্ৰিম উপগ্ৰহ মহাকাশলৈ প্ৰেৰণ কৰিব। এই উৎক্ষেপনৰ বাবে পুৱা ২ বাজি ৪৭ মিনিটত চাৰে ৬ ঘণ্টাজোৰা ক্ষণ গণনা ইতিমধ্যে আৰম্ভ হৈছে। কৃত্ৰিম উপগ্ৰহটোৰ উৎক্ষেপনৰ লগে লগে এছ্ এছ্ এল ভি উৎক্ষেপন যানৰ উন্নয়নৰ প্ৰকল্পৰ কাম সম্পূৰ্ণ হ'ব আৰু যানখন ক্ষুদ্ৰ কৃত্ৰিম উপগ্ৰহ উৎক্ষেপনৰ বাবে সম্পূৰ্ণৰূপে সাজু হৈ উঠিব। পি এছ্ এল ভি উৎক্ষেপন যানৰ তুলনাত ১০ মিটাৰ সৰু এছ্ এছ্ এল ভি ৰকেট পৃথিৱীৰ নিম্ন কক্ষপথত ক্ষুদ্ৰ আৰু কম ওজনৰ কৃত্ৰিম উপগ্ৰহ প্ৰেৰণৰ বাবে ব্যৱহাৰ কৰা হ'ব। এছ্ এছ্ এল ভি উৎক্ষেপন যানে কম খৰচত কেইবাটাও উপগ্ৰহ উৎক্ষেপন আৰু নামমাত্ৰ উৎক্ষেপন আন্তঃগাঁথনিৰ সহায়ত উৎক্ষেপন অভিযান সম্পূৰ্ণ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। পি এছ্ এল ভিৰ তুলনাত এছ্ এছ্ এল ভিৰ ব্যয় প্ৰায় ২০ৰ পৰা ৩০ শতাংশ কম হ'ব।

০০০০০০০০

আগশাৰীৰ ক্ষেপনাস্ত্ৰ বিজ্ঞানী ড০ ৰাম নাৰায়ণ আগৰৱালাৰ কালি দেহাৱসান ঘটে। প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা, ডি আৰ ডি অ'ই বিশিষ্ট বিমানাকাশ বিজ্ঞানী ড০ আগৰৱালাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। পদ্মশ্ৰী আৰু পদ্মভূষণ সন্মানেৰে বিভূষিত ড০ আগৰৱালে দুই দশকৰো অধিক সময় ধৰি দেশৰ অভিলাষী অগ্নি ক্ষেপনাস্ত্ৰ কাৰ্যসূচীৰ নেতৃত্ব বহন কৰিছিল। তেওঁ ক্ষেপনাস্ত্ৰৰ বাবে ভিন ভিন লক্ষ্যত আঘাত হানিব পৰা ৰি-এণ্ট্ৰি প্ৰযুক্তি, সংগ্ৰথিত তাপ প্ৰতিৰোধী আৱৰণ, অন বোৰ্ড প্ৰপাৰশ্যন প্ৰণালী, পথ প্ৰদৰ্শন আৰু নিয়ন্ত্ৰণ আদিৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

oooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৭৮ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কালি সন্ধিয়া ৰাষ্ট্ৰপতি ভৱনত বিশেষ অভ্যৰ্থনা অনুষ্ঠানৰ আঁয়োজন কৰে। অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দ, লোকসভাৰ অদ্যক্ষ ওম বিৰলা আৰু দেশৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰশেখৰ উপস্থিত থাকে। ইয়াৰ উপৰি, কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, জে পি নাড্ডা, ড০ এছ্ জয়শংকৰ, অশ্বিনী বৈষ্ণৱ, পীযুষ গোৱেল, শিৱৰাজ সিং চৌহান আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকলেও অনুষ্ঠানত অংশগ্ৰহণ কৰে।

oooooooo

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি দুদিনীয়া ভ্ৰমণসূচীৰে তেলেংগানা আৰু অন্ধ্ৰপ্ৰদেশলৈ যাব। ভ্ৰমণৰ প্ৰথম দিনা শ্ৰী ধনখড়ে হায়দৰাবাদৰ কানহা শান্তি বনমলৈ যাব। দ্বিতীয় দিনা অন্ধ্ৰপ্ৰদেশত স্বৰ্ণ ভাৰত ন্যাসৰ ২৩ সংখ্যক বাৰ্ষিকীত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তেওঁ লগতে অকশৰা বিদ্যালয় চৌহদ আৰু দক্ষতা বিকাশ কেন্দ্ৰ আৰু মোপ্পাবাৰাপু ফাউণ্ডেচনৈ যাব।

oooooooo

ভাৰতে কাইলৈ তৃতীয় ভইচ অব গ্লোবেল ছাউথ শীৰ্ষ সন্মিলনৰ আয়োজন কৰিছে। এই সন্মিলনৰ মূল বিষয়বস্তু হৈছে - বহনক্ষম ভৱিষ্যতৰ বাবে সবল গ্লোবেল ছাউথ। বিদেশ মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে যে এই সন্মিলনে সংঘৰ্ষ, খাদ্য আৰু শক্তি সুৰক্ষা সংকট আৰু জলবায়ু পৰিবৰ্তনৰ লেখিয়া বিশ্বক প্ৰভাৱিত কৰি অহা জটিল প্ৰত্যাহ্বান সন্দৰ্ভত পূৰ্বৰ সন্মিলনত হোৱা আলাপ-আলোচনাৰ সম্প্ৰসাৰণৰ বাবে এখন মঞ্চ প্ৰদান কৰিব। সন্মিলনত গ্লোবেল ছাউথ ৰাষ্ট্ৰসমূহে বিভিন্ন প্ৰত্যাহ্বান, অগ্ৰাধিকাৰ তথা তুলনামূলকভাৱে কম বিকশিত আৰু বিকাশশীল দেশৰ সমস্যা বিশেষকৈ উন্নয়ন ক্ষেত্ৰত সমাধানক লৈ আলোচনা অব্যাহত থাকিব। মন্ত্ৰালয়ে কৈছে যে পূৰ্বৰ সন্মিলনৰ দৰে তৃতীয় সন্মিলনো ভাৰ্চুৱেল ব্যৱস্থাৰে অনুষ্ঠিত হ'ব। সন্মিলনৰ উদ্বোধনী সত্ৰত ৰাষ্ট্ৰপ্ৰধান আৰু চৰকাৰ প্ৰধানসকলে অংশগ্ৰহণ কৰিব আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সত্ৰৰ গুৰি ধৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সবকা সাথ সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াস দৃষ্টিভংগীৰ সম্প্ৰসাৰিত ৰূপ হিচাপে এই অনন্য উদ্যম আৰম্ভ কৰা হৈছে আৰু ইয়াক ভাৰতৰ বসুধৈৱ কুটুম্বকম দৰ্শনৰ সৈতে সংযুক্ত কৰা হৈছে। গ্লোবেল ছাউথ হিচাপে পৰিচিত স্বল্পবিকশিত আৰু উন্নয়নশীল দেশৰ উমৈহতীয়া মঞ্চত সকলো বিষয়ৰ অগ্ৰাধিকাৰক লৈ এখন উমৈহতীয়া মঞ্চত আলাপ আলোচনা কৰাৰ উদ্দেশ্যে এই উদ্যমৰ পৰিকল্পনা কৰা হৈছে।

০০০০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি নতুন দিল্লীত ৰাষ্ট্ৰীয় কীট-পতংগ নিৰীক্ষণ প্ৰণালী উদ্বোধন কৰে। এই উপলক্ষে শ্ৰীচৌহানে কয় যে এই প্ৰণালীৰ মাধ্যমেৰে খেতিয়কসকলে বিভিন্ন প্ৰকাৰৰ কীটনাশক আৰু অপতৃণনাশকৰ বিষয়ে জানিব পাৰিব আৰু সিবিলাকৰ ক্ষতিকাৰক প্ৰভাৱৰ পৰা শস্যক ৰক্ষা কৰিব পাৰিব। শ্ৰীচৌহানে লগতে কেন্দ্ৰীয় চৰকাৰে ৰূপায়ণ কৰা বিভিন্ন আঁচনিৰ বিষয়ে হিতাধিকাৰীসকলৰ সৈতে মত-বিনিময় কৰে। অনুষ্ঠানত প্ৰায় ৫০০গৰাকী খেতিয়কে অংশ লয়। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰে অলপতে ১০৯বিধ অধিক উৎপাদনক্ষম পৰিবেশ অনুকূল আৰু জৈৱপোষিত শস্যৰ প্ৰজাতি মুকলি কৰিছে।

০০০০০০০০

ভাৰতীয় চিকিৎসা সংস্থাই কলকাতাত এগৰাকী কনিষ্ঠ চিকিৎসকক ধৰ্ষণ আৰু হত্যাৰ প্ৰতিবাদত জৰুৰীকালীন সেৱাৰ বাহিৰে অন্য সেৱাসমূহ কাইলৈ পুৱা ৬ বজাৰপৰা ২৪ ঘণ্টাৰ বাবে বন্ধ ৰখাৰ কথা ঘোষণা কৰিছে। সংস্থাটোৱে এখন বিজ্ঞপ্তিযোগে কৈছে যে এই সময়ছোৱাত অত্যাৱশ্যকীয় সেৱাসমূহ অব্যাহত থাকিব আৰু কেজুৱেলিটী ৱাৰ্ডসমূহ খোলা ৰখা হ'ব। বিজ্ঞপ্তিখনত লগতে এইবুলি কোৱা হৈছে যে এই সময়ছোৱাত বৰ্হিঃবিভাগৰ সেৱা সম্পূৰ্ণৰূপে বন্ধ থাকিব। আই এম এৰ ৰাজ্যিক শাখাসমূহৰ সৈতে হোৱা আলোচনাৰ অন্তত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০০০০০

ভাৰতীয় জনতা পাৰ্টীৰ মহিলা মৰ্চাই কলকাতাৰ আৰ জি ক'ৰ চিকিৎসা মহাবিদ্যালয়ৰ এগৰাকী কনিষ্ঠ চিকিৎসকক যোৱা সপ্তাহত ধৰ্ষণ কৰি হত্যা কৰা ঘটনাৰ প্ৰতিবাদত আজি মমবাতি লৈ এটা মৌন সমদল উলিয়াব। দলৰ মহিলা মৰ্চাৰ ৰাষ্ট্ৰীয় সভাপতি ৱনতী শ্ৰীনিবাসনৰ নেতৃত্বত সন্ধিয়া ৬ বজাত চিকিৎসালয়খনৰ বাহিৰত এই সমদল উলিওৱা হ'ব। এই প্ৰতিবাদী মৌন সমদলত বিজেপিৰ ৰাজ্যসভাৰ সাংসদ দৰ্শন সিঙৰ লগতে সংগীতা যাদৱ, গীতা সাক্য, ইন্দুৱালা গোস্বামী আৰু পশ্চিম বংগৰ দায়িত্বত থকা দলৰ নেতা পূজা কপিল মিশ্ৰ প্ৰমুখ্যে ৰাষ্ট্ৰীয় কৰ্মকৰ্তাসকলে অংশগ্ৰহণ কৰিব। ইপিনে দলৰ ৰাজ্যিক গোটে এই ঘটনাৰ প্ৰতিবাদস্বৰূপে আজি ৰাজ্যখনৰ সকলো চৰকাৰী প্ৰতিষ্ঠানত দুঘণ্টা কৰ্মবিৰতিৰ আহ্বান জনাইছে। ইয়াৰ উপৰি ৰাজ্যৰ আটাইকেইখন জিলাতে পথ অৱৰোধ কাৰ্যসূচীৰ আহ্বান জনোৱা হৈছে।

০০০০০০০০

সমগ্ৰ ৰাষ্ট্ৰই প্ৰাক্তন প্ৰধানমন্ত্ৰী ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ীৰ মৃত্যু বাৰ্ষিকী উপলক্ষে নেতাগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰিছে। এই উপলক্ষে নতুন দিল্লীত অটল বিহাৰী বাজপেয়ীৰ সমাধি সদৈৱ অটলত এখন প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হৈছে।

০০০০০০০০

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে পৰহিলৈ চৰকাৰী ভ্ৰমণসূচীৰে কুৱেইটলৈ যাব। এই ভ্ৰমণকালত বিদেশ মন্ত্ৰীগৰাকীয়ে কুৱেইটৰ বিদেশ মন্ত্ৰী আব্দুল্লা আলী অল য়হয়াক সাক্ষাৎ কৰিব। তেওঁ লগেত কুৱেইটৰ নেতৃবৰ্গকো সাক্ষাৎ কৰাৰ কথা আছে।

ড০ জয়শংকৰৰ এই ভ্ৰমণে দুয়োপক্ষকে ৰাজনীতি, বাণিজ্য, বিনিয়োগ, শক্তি, সুৰক্ষা, সংস্কৃতি, দূতাবাস আৰু জনসম্পৰ্ককে ধৰি দ্বিপাক্ষিক সম্বন্ধৰ বিভিন্ন দিশত পৰ্যালোচনা চলোৱাৰ সুযোগ প্ৰদান কৰিব। দুয়োপক্ষই লগতে পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয় লৈ আলোচনা কৰিব।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ আগষ্টত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৩ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৩ আগষ্ট পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০০

সমাপ্ত